Meerut.

৩) Sharma R.A(2010) : Environmental Education, R.Lall Book Depot.

৪) Sigh S and Dubey A (1989): Environment Management, Allahbad University.

৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক শিক্ষাৰ পর্যায়ত শিক্ষার্থীসকলৰ মাজত পৰিৱেশীয় সজাগতা সৃষ্টিৰ চেষ্টা কৰিব লাগে আৰু পৰিৱেশ শিক্ষাৰ সমগ্র কার্যাৱলীৰ ভিতৰত ৭৫% পৰিৱেশীয় সজাগতা সৃষ্টিৰ লগত জড়িত।

২ নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক পর্যায়ত পৰিৱেশ শিক্ষাৰ দুটা উদ্দেশ্য হ'ল —

- শিশুসকলক প্রাকৃতিক, সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ মাজত থকা পাৰস্পৰিক সম্পর্ক বুজি উঠিব পৰা ধৰণে প্রশিক্ষণ প্রদান কৰা।
- জীৱনৰ বিভিন্ন দিশ যেনে — শাৰীৰিক, জৈৱিক, সামাজিক, সাংস্কৃতিক আদিৰ প্রতি বিমূর্ত ধাৰণাৰ পৰিৱর্তে পর্যবেক্ষণ আৰু উদাহৰণৰ মাধ্যমত বাস্তৱ ভিত্তিক ধাৰণাৰ বিকাশ ঘটোৱা।

৩ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশৰ প্রতি শিশুৰ মনৰ কৌতূহল চৰিতার্থ কৰিবৰ বাবে প্রাথমিক শিক্ষাই বিভিন্ন পৰিৱেশীয় সমস্যাসমূহ সমাধানৰ সন্দর্ভত যথেষ্টখিনি সম্ভাৱনীয়তা বহন কৰে। যদিহে শিশুসকলক পৰিৱেশৰ যথার্থ জ্ঞানেৰে শিক্ষিত কৰিব পৰা যায় তেতিয়াহ'লে তেওঁলোকে নিশ্চিতভাৱে প্রকৃতিৰ প্রতি সন্মান প্রদর্শন কৰিব আৰু পৰিৱেশ সংৰক্ষণৰ মাধ্যমেৰে ইয়াৰ গুনমাণ উন্নীতকৰনত বিশেষ ভূমিকা গ্রহণ কৰিব।

৪ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশ শিক্ষাৰ লগত জড়িত হৈ থকা চাৰিটা প্রধান আন্তঃসম্পর্কিত উপাদান হ'ল — সজাগতা,বাস্তৱ জীৱনৰ পৰিস্থিতি, সংৰক্ষণ আৰু বহনক্ষম উন্নয়ন।

৫ নং প্রশ্নৰ উত্তৰ ঃ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পর্যায়ত পৰিৱেশৰ জ্ঞান আয়ত্বকৰণ, সংৰক্ষণ, সমস্যাবোৰ চিনাক্তকৰণ আৰু কর্ম কুশলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। পাঠ্যক্রমৰ বিষয়বস্তুবোৰ বিজ্ঞানভিত্তিক আৰু ক্রিয়াজড়িত বিধৰ হ'ব লাগে। এই পর্যায়ত শিক্ষাত উপযুক্ত শিক্ষাদান ক্ষেত্রভিত্তিক কর্ম বিশেষভাৱে বিবেচনাযোগ্য।

৬ নং প্রশ্নৰ উত্তৰ ঃ মাধ্যমিক পর্য্যায়ত পৰিৱেশ শিক্ষাৰ দুটা উদ্দেশ্য হ'ল —

- দৈনন্দিন জীৱন প্রক্রিয়াৰ সৈতে বিজ্ঞানৰ প্রাসংগিকতাৰ ওপৰত জোৰ দিয়া।
- বিজ্ঞানৰ নীতি আৰু অনুশীলনৰ ওপৰত ভিত্তি কৰি এক অনুকূল পাৰিপার্শ্বিক বাতাবৰণ তৈয়াৰ কৰা।

৭ নং প্রশ্নৰ উত্তৰ ঃ উচ্চতৰ মাধ্যমিক পর্য্যায়ত গুৰুত্ব দিবলগীয়া পৰিৱেশ শিক্ষাৰ দুটা দিশ হ'ল

(ক) জনসংখ্যা ঃ জনসংখ্যা বৃদ্ধি আৰু অপৰিকল্পিত জনসংখ্যাৰ বৰ্ধিত সমস্যাসমূহ।

(খ) আইন ঃ ভূমি ব্যৱহাৰ; ভূমি উদ্ধাৰ আৰু ভূমি সংৰক্ষণ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মাধ্যমিক বিদ্যালয় পর্যায়ত পৰিৱেশ শিক্ষা প্রাসংগিক আৰু কার্যকৰী কৰি তোলাৰ বাবে পাঠ্যক্রমত পৰিৱেশীয় বিষয়বোৰৰ অন্তর্ভুক্ত কৰাৰ বাবে তলত উল্লেখ কৰা পদক্ষেপবোৰ বিশেষভাৱে প্রয়োজনীয় —

(ক) শিকিবলগীয়া ধাৰণাৰ সংখ্যা হ্রাসকৰণ ঃ প্রতিটো অধ্যয়নৰ গোটত তিনিটাতকৈ অধিক ধাৰণা অন্তর্ভুক্ত কৰিব নালাগে। ইয়াৰ অর্থ এয়াই ছাত্র-ছাত্রীসকলক সচেষ্ট ৰূপত পৰিৱেশ শিক্ষাৰ ধাৰণাসমূহ আয়ত্ব কৰোৱা আৰু একে সময়তে শিকাৰ সীমা মূল্যায়ন কৰিব লাগিব যাতে অধিক শিকিবলৈ আগ্রহী শিক্ষার্থীসকলৰ পথৰুদ্ধ হৈ নাযায়। উল্লেখযোগ্য যে যদিহে শিকোৱাৰ পদ্ধতি অধিক মনোগ্রাহী হয়, তেতিয়া হ'লে শিক্ষার্থীসকলে আমি ভবাতকৈও অধিক কথা শিকিব পাৰিব।

(খ) শিকিবলগীয়া বিষয়বিলাকৰ ক্ষেত্রত ধাৰণা আৰু তথ্যৰ মাজত থকা প্রভেদ সুস্পষ্ট কৰি তোলা ঃ ধাৰণা আৰু তথ্য এই শব্দ দুটা প্রায়েই মিশ্রিত ৰূপত ব্যৱহৃত হোৱা দেখা যায়। পাঠ্যপুথি লিখোতা সকলৰ দ্বাৰা বিস্তৃত বিৰৰন সংযোজনৰ দ্বাৰা শিক্ষকসকলৰ বাবে শিক্ষাদান এক জটিল কাম হিচাপে পৰিগণিত কৰাব পাৰি।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯০ চনত।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ২০০৪ চনত বিশ্ববিদ্যালয় অনুদান আয়োগে।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশীয় পৰিকল্পনা আৰু সম্পদ উন্নয়ন।



৫.১০ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ বহনক্ষম উন্নয়নৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ ঃ প্রাথমিক পর্যায়ত পৰিৱেশ শিক্ষা প্রদানৰ উপায় কি হোৱা উচিত?

প্রশ্ন ৩ ঃ UGC ৰ সম্পূর্ণ ৰূপটো কি?

প্রশ্ন ৪ ঃ Talloires ঘোষণা ক'ত অনুষ্ঠিত হৈছিল?

(খ) চমু প্রশ্ন (প্রায় ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ প্রাথমিক পর্যায়ত পৰিৱেশ শিক্ষাৰ চাৰিটা উদ্দেশ্য লিখক।

প্রশ্ন ২ ঃ প্রাথমিক পর্যায়ত পৰিৱেশ শিক্ষা কিয় প্রয়োজনীয়?

প্রশ্ন ৩ ঃ বিদ্যালয়ৰ বিভিন্ন শ্রেণীত পৰিৱেশ শিক্ষা ৰূপায়নৰ দিশত NCERT য়ে পৰামর্শ

আগবঢ়োৱা পদ্ধতিসমূহৰ বিষয়ে লিখক।

প্রশ্ন ৪ ঃ উচ্চতৰ মাধ্যমিক পর্যায়ত গুৰুত্ব প্রদান কৰা পৰিৱেশ শিক্ষাৰ চাৰিটা দিশৰ বিষয়ে লিখক।

প্রশ্ন ৫ ঃ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত পৰিৱেশ শিক্ষা সূচনা কৰাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে কি ভূমিকা গ্রহন কৰিছে?

(গ) দীঘল প্রশ্ন (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ বিদ্যালয় পর্যায়ত আনুষ্ঠানিক পৰিৱেশ শিক্ষাৰ কার্যসূচীবোৰৰ বিষয়ে লিখক।

প্রশ্ন ২ ঃ প্রাথমিক পর্যায়ত কেনেদৰে পৰিৱেশ শিক্ষা ৰূপায়ন কৰিব পাৰি?

প্রশ্ন ৩ ঃ ভাৰতবর্ষত মাধ্যমিক শিক্ষা কার্যকৰী কৰিব পৰা উপায়সমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত পৰিৱেশ শিক্ষাৰ কার্যসূচীসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***